# মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিলে ডাউন টাউন চিকিৎসালত স্থাপন কৰা যকৃত সংৰোপণ গোট

**দিছপুৰ, ৮ মে' ঃ** যকৃত সংৰোপণৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ এক বহুদিনীয়া অভাৱ পূৰণ কৰি গুৱাহাটীৰ ডাউন টাউন চিকিৎসালয়ত স্থাপন কৰা যকৃত সংৰোপণ গোট আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুকলি কৰে। এই নতুন গোটটোৱে যকৃতৰ ৰোগত আক্ৰান্ত লোকসকলক চিকিৎসা সেৱা প্ৰদান কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে যকৃত ৰোগত আক্ৰান্ত বহুতো ৰোগী অসমত আছে আৰু ৰাজ্যখনত এই চিকিৎসাৰ উপযুক্ত ব্যৱস্থা নথকাৰ বাবে বহিঃৰাজ্যলৈ চিকিৎসাৰ বাবে যাবলগীয়া হয়। তাৰ ফলত ৰোগীসকলে বহু অৰ্থ ব্যয় কৰিবলীয়া হয় আৰু এই নতুন গোটটো মুকলি কৰাৰ ফলত তেনে ৰোগী সকলৰ অৰ্থ ব্যয় হ্ৰাস পাব আৰু উন্নত চিকিৎসা ৰাজ্যখনতে লাভ কৰাটো সম্ভৱ হৈ উঠিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমান জগতখন উদ্ভাৱনীমূলক তথ্য প্ৰযুক্তিৰ দ্বাৰ পৰিচালিত হৈছে আৰু অসম চৰকাৰেও স্বাস্থ্য খণ্ডৰ উন্নয়নৰ বাবে বহুতো পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি কয় যে প্ৰধান মন্ত্ৰীৰ 'সবকা সাথ সবকা বিকাশ' মন্ত্ৰেৰে উদ্বুদ্ধ হৈ সমগ্ৰ দেশতে ৰাজহুৱা স্বাস্থ্যখণ্ডত এক বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা হৈছে আৰু স্বাস্থ্যসেৱা সকলোৰে বাবে সম্ভৱ হৈ উঠিছে। ভাৰত চৰকাৰৰ ইতিবাচক মনোভাৱৰ ফলতে ৰাজ্যখনৰ স্বাস্থ্য খণ্ডলৈও পৰিৱৰ্তন দ্ৰুতগামী হৈছে আৰু সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান চমুকৈ এইমছ অসমত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস এই পদক্ষেপৰে নিদৰ্শন বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে উন্নত মানৰ স্বাস্থ্য সেৱা সমাজৰ দৰিদ্ৰতম লোকসকলেও যাতে লাভ কৰি পাৰে সেয়া নিশ্চিত কৰিবৰ বাবে অসম চৰকাৰ বদ্ধ পৰিকৰ। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এখন চিকিৎসা অনুষ্ঠান সু-পৰিচালনাৰ বাবে সুপৰিকল্পনা আৰু কৌশলী মানৱ সম্পদৰ প্ৰয়োজন। অসম চৰকাৰে ৰাজহুৱা স্বাস্থ্য খণ্ডত সুপৰিচালনাৰ এক পৰিৱেশ ৰচনা কৰিবৰ বাবে প্ৰয়াস কৰিছে আৰু চৰকাৰৰ সুপ্ৰশাসনৰ ফল স্বাস্থ্যখণ্ডতো শীঘ্ৰে বিদ্যমান হৈ উঠিব বুলিও তেওঁ কয়।

ডাউন টাউন চিকিৎসালয়ৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ড° এন এন দত্ত, অধীক্ষক ড° উদয়ন বৰুৱা প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

বীঃগঃ / পুঃডেঃ / বঃভাঃ
৮/৫/২০১৭